# Admission Committee -2022-23

**MURAZAR COLLEGE**

**Murazar, Hojai, Assam**

---

Date:14-07-2022

## নামভৰ্তি সম্পৰ্কীয় গুৰুত্বপূৰ্ণ নিৰ্দেশনা:

ইয়াৰ দ্বাৰা মোৰাজাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰিব বিচৰা সমূহ ছাত্ৰ-ছাত্ৰীৰ জ্ঞাতাৰ্থে জনোৱা যায় যে,

১) অহা **১৫ জুলাইৰ** পৰা পৰ্যায় ক্ৰমে মোৰাজাৰ মহাবিদ্যালয়ৰ স্নাতক প্ৰথমবৰ্ষৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ইতিমধ্যে মহাবিদ্যালয়ে নামভৰ্তিৰ সময়সূচী ঘোষণা কৰিছে আৰু সেইমতে **ছাত্ৰ-ছাত্ৰীসকলে নিজে মহাবিদ্যালয়লৈ আহিব লাগিব আৰু নিজৰ প্ৰয়োজনীয় নথি পত্ৰ কমিটিৰ হাতত জমা দিব লাগিব।** কমিটিয়ে সেই নথিসমূহ পৰীক্ষা কৰাৰ পাছতহে ছাত্ৰ বা ছাত্ৰীগৰাকী চূড়ান্ত নামভৰ্তিৰ বাবে যোগ্য বুলি বিবেচিত কৰা হ'ব।

২) কভিড নিয়মাৱলী অনুসৰি নামভৰ্তিৰ দিনা নিৰ্দিষ্ট শাখাৰ কেৱল Selection listত থকা ছাত্ৰ বা ছাত্ৰী গৰাকীক হে নামভৰ্তি সভাগৃহত প্ৰবেশ কৰিবলৈ দিয়া হ'ব আৰু সভাগৃহৰ ভিতৰতো প্ৰতিগৰাকীয়ে কভিদৰ নীতি-নিয়ম মানি চলিব লাগিব।

৩) নামভৰ্তি সভাগৃহত প্ৰবেশৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীৰে মুখত মাস্ক পৰিধান কৰাটো বাধ্যতামূলক।

৪) যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়া নামভৰ্তি কৰিব বিচাৰে, তেওঁলোকৰ অভিভাবকৰ বাৰ্ষিক আয় ২ (দুই) লাখৰ ভিতৰত হ'ব লাগিব।যদি কোনোবা অভিভাবকৰ বাৰ্ষিক আয় দুইলাখৰ ভিতৰত হয়, কিন্তু তেওঁ যদি চৰকাৰী বেতনভুগী চাকৰিয়াল হয়, তেনে অভিভাৱকৰ ল'ৰা বা ছোৱালীয়ে এই বিনামূলীয়া নামভৰ্তিৰ সুবিধা আদায় কৰিব নোৱাৰিব।

৫) বিনামূলীয়া নামভৰ্তি কৰিব বিচৰা ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে **মহাবিদ্যালয়ৰ চৌহদত বা নিজ গৃহ চৌহদত এটি গছপুলি ৰুই, গছপুলিটোৰে সৈতে তোলা এখন ফটো নামভৰ্তিৰ দিনা কমিটিৰ হাতত জমা দিব লাগিব।**ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে ৰোৱা পুলিটো মূল্যবান গছৰ পুলি হ'ব লাগিব।

৬) বিনামূলীয়া নামভৰ্তি কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ **মাৰ্কচিতখন কোনো ধৰণৰ লেমিনেছন নকৰাকৈ** কমিটিৰ হাতত জমা দিব লাগিব। কাৰণ তেওঁলোকৰ মাৰ্কছিটখনৰ পাছফালে কমিটিয়ে '***বিনামূলীয়া নামভৰ্তি***' বুলি ছীল আৰু চহী মাৰি দিব।

৭) নামভৰ্তিৰ দিনা যদি কোনো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ প্ৰয়োজনীয় নথি জমা দিব নোৱাৰে, তেনেহ'লে তেওঁলোকৰ নামভৰ্তি লগে লগে বাতিল কৰা হ'ব।ইয়াৰোপৰি, কোনো ছাত্ৰ বা ছাত্ৰীয়ে যদি নামভৰ্তি কমিটিক কিবা ভুৱা তথ্য যোগান ধৰে, তেওঁলোকৰ নামভৰ্তি তাৎক্ষণিকভাবে বাতিল কৰাৰ লগতে তেওঁ আইন মতে দণ্ডনীয় হ'ব।

৮. নামভৰ্তিৰ বাবে বাছনিকৃত সকলো ছাত্ৰ–ছাত্ৰীয়ে তেওঁলোকৰ উপযুক্ত শ্ৰেণীমতে অৰ্থাৎ Fee waiver Rs. **650**/- আৰু Non-Fee waiver Major Rs.4150/-, General RS.3970/- টকা নামভৰ্তি মাচুল মোৰাজাৰ কলেজৰ Online Portal www.murazarcollege.org জৰিয়তে Documents Verification ৰ পাছত জমা দিব লাগিব।

বিঃদ্রঃ নাম ভৰ্ত্তি মাছুল Admission ৰ দিনা Online Portal ত জমা দিয়াটো বাধ্যতামূলক।

আহ্বায়ক

নামভৰ্তি কমিটি, 2022-23

মোৰাজাৰ মহাবিদ্যালয়, মোৰাজাৰ